# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-12-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# **HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া দ্বিপাক্ষিক ভ্ৰমণসূচীৰে কাইলৈ জৰ্দানলৈ ৰাওনা হ'ব।

২। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই ডাকোৱালসকলক বিশ্বাসৰ সেঁতু বুলি অভিহিত কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল নেতৃত্বত ভাৰত এখন উন্নত ৰাষ্ট্ৰৰ দিশে দ্ৰুতগতিত ধাৱমান হৈছে বুলি বিজেপিৰ সভাপতি তথা কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগতপ্ৰকাশ নাড্ডাই প্ৰকাশ কৰিছে।

৪। ষ্টীল অথৰিটী অব্ ইণ্ডিয়া বিগত মাহত যোৱা বছৰৰ তুলনাত বিক্ৰীৰ ক্ষেত্ৰত ২৭ শতাংশ বৃদ্ধি হৈছে।

*আৰু*

৫। আহমেদাবাদত অনুষ্ঠিত ৰাষ্ট্ৰীয় মল্লযুঁজ প্ৰতিযোগিতাত অমন ছেৰাৱট আৰু অন্তিম পোংঘালে সোণৰ পদক অৰ্জন কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া দ্বিপাক্ষিক ভ্ৰমণসূচীৰে কাইলৈ জৰ্দানলৈ ৰাওনা হ'ব। জৰ্দানৰ ৰজা আব্দুলা দ্বিতীয় বিন অল হুছেইনৰ আমন্ত্ৰণ মৰ্মে প্ৰধানমন্ত্ৰীগৰাকী দেশখনলৈ যাব। ভাৰত আৰু জৰ্দানৰ মাজত কূটনৈতিক সম্পৰ্কৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি কৰা এই ভ্ৰমণে ভাৰত আৰু জৰ্দানৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লগতে পাৰস্পৰিক বিকাশ আৰু সমৃদ্ধি শক্তিশালী কৰাৰ ন ন দিশ অন্বেষণৰ সুযোগ প্ৰদান কৰিব।

উল্লেখযোগ্য যে, জৰ্দানে ভাৰতৰ কৃষিখণ্ডত বিশেষ ভূমিকা পালন কৰা সাৰসমূহ বিশেষকৈ ফচফেট আৰু পটাছৰ যোগান ধৰি আহিছে। ভাৰত আৰু জৰ্দানৰ যুঁটীয়া সহযোগিতাৰে স্থাপন কৰা জৰ্দান ইণ্ডিয়া ফাইটিলাইজাৰ কোম্পানী, আই এফ এফ চি অ' আৰু জৰ্দান ফছ্‌ফেট খনিজ কোম্পানী প্ৰতিষ্ঠা কৰা হৈছিল যিয়ে ভাৰতলৈ ফছ্‌ফৰিক এছিড যোগান ধৰি ভাৰতত খাদ্য সুৰক্ষাৰ দিশটো শক্তিশালী কৰি তুলিছে। ইয়াৰ উপৰিও ১৫টা ভাৰতীয় মূলৰ বস্ত্ৰ উদ্যোগে জৰ্দানত নিজৰ উৎপাদিত সামগ্ৰীৰ বজাৰ গঢ়ি তুলিছে। অমান আৰু মুম্বাইৰ মাজত মুকলি কৰা পোনপটীয়া বিমান সেৱাই দুই দেশৰ মাজত যোগাযোগ উন্নত কৰি তুলিছে। ইয়াৰ উপৰিও জৰ্দানে ভাৰতীয় যাত্ৰীসকললৈ ইলেকট্ৰনিক ভিছাৰ সুবিধাও আগবঢ়াইছে। যাৰ জৰিয়তে ব্যৱসায় আৰু পৰ্যটনৰ ক্ষেত্ৰখন সম্প্ৰসাৰিত হোৱাৰ সম্ভাৱনা আছে।

ooooo

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই ডাকোৱালসকলক বিশ্বাসৰ সেঁতু বুলি অভিহিত কৰিছে। তেওঁ কয়, যে ডাকোৱালসকলে কেৱল চিঠিয়েই কঢ়িয়াই নানে, বেংক, বীমা আৰু চৰকাৰী সেৱাও ভাৰতৰ প্ৰতিঘৰ মানুহলৈ কঢ়িয়াই আনে। গ্ৰাম্য ভাৰতক সংযোজিত কৰাৰ ক্ষেত্ৰত আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰক্ৰিয়াত তেওঁলোকৰ উল্লেখযোগ্য অৱদানৰ বিষয়েও শ্ৰীসিন্ধিয়াই আলোকপাত কৰে। কোহলাপুৰত কালি অনুষ্ঠিত গ্ৰামীণ ডাক সেৱক সন্মিলনত অংশগ্ৰহণ কৰি শ্ৰীসিন্ধিয়াই ডাকোৱালকলক লৈ এই তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। উল্লেখযোগ্য যে, কালিৰ এই সন্মিলনত গোৱাৰ পৰা পুনেলৈ সামৰি প্ৰায় ছহেজাৰ গ্ৰামীণ ডাক সেৱক উপস্থিত আছিল।

ভাৰতীয় ডাক সেৱাৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়, যে প্ৰায় ৬ লাখ ৫০ হাজাৰ গাঁৱত ১ লাখ ৬৫ হাজাৰতকৈও অধিক ডাক কাৰ্যালয় আছে। উদ্ভাৱণ, বাস্তৱতা আৰু শক্তিশালী মূল্যবোধ সম্পন্ন দৃষ্টিভংগীৰে এই ডাক কাৰ্যালয়সমূহ আধুনিকীকৰণ কৰাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰতো শ্ৰীসিন্ধিয়াই গুৰুত্ব আৰোপ কৰে। এই সন্মিলনত উৎকৃষ্ঠ সেৱা আগবঢ়োৱাৰ বাবে মহাৰাষ্ট্ৰৰ ১০ গৰাকী ডাক সেৱকক বিশেষ সম্বৰ্ধনা জনোৱা হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল নেতৃত্বত ভাৰত এখন উন্নত ৰাষ্ট্ৰৰ দিশে দ্ৰুতগতিত ধাৱমান হৈছে। বিজেপিৰ সভাপতি তথা কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই কালি ছিমলাত এই কথা প্ৰকাশ কৰে। হিমাচল প্ৰদেশৰ ছিমলাত ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ৰ আধাৰশিলা স্থাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি বিজেপিৰ সভাপতিগৰাকীয়ে কয়, যে সমগ্ৰ দেশতে নিৰ্মাণ কৰা বিজেপিৰ কাৰ্যালয়সমূহ কেৱল এটা কাৰ্যালয় গৃহ নহয়, বৰং ই নীতি আদৰ্শ, জনসাধাৰণৰ বাবে সেৱা আদিৰো কেন্দ্ৰস্থল হৈ পৰিছে। তেওঁ কয়, যে বিজেপি হৈছে এটা আদৰ্শক ভিত্তি কৰি গঢ়ি উঠা দল। কিন্তু কংগ্ৰেছ বা অন্যান্য দলৰ এই আদৰ্শ নাই। বিজেপিৰ সভাপতিগৰাকীয়ে কয়, যে পূৰ্বৰ ইউ পি এ চৰকাৰ কেৱল মাত্ৰ জাতি আৰু স্বজন তোষনৰ ভিত্তিত শাসনাত অধিস্থিত আছিল যদিও বিজেপিয়ে শাসনলৈ আহি সু-প্ৰশাসনৰ ধাৰণা বাস্তৱায়িত কৰে।

শ্ৰীনাড্ডাই কয়, যে কেন্দ্ৰীয় চৰকাৰে ৱক্ফ বৰ্ড আইন সংশোধন আৰু তিনি তালাক ব্যৱস্থাৰ বিলোপ সাধনৰ জৰিয়তে মুছলিম জনসাধাৰণলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে।

বিজেপিৰ সভাপতিগৰাকীয়ে লগতে কয়, যে সমগ্ৰ দেশতে দলটোৰ ১৪ কোটি সদস্য আছে। একেদৰে ১০ লাখতকৈ অধিক সক্ৰিয় সদস্য আৰু ছয় লাখতকৈও অধিক বুথ সমিতিয়ে বিজেপিক পৃথিৱীৰ ভিতৰতে এটা বৃহৎ ৰাজনৈতিক দল হিচাপে পৰিচিতি দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অৰ্থনৈতিক আৰু সামাজিক পৰিৱৰ্তনৰ জৰিয়তে ভাৰত বৰ্তমান বিশ্বৰ চতুৰ্থ বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত হৈছে।

ooooo

ষ্টীল অথৰিটী অব্ ইণ্ডিয়াই বিগত মাহত যোৱা বছৰৰ তুলনাত বিক্ৰীৰ ক্ষেত্ৰত ২৭ শতাংশ বৃদ্ধি লাভ কৰিছে। তীখা মন্ত্ৰালয়ে এটা বিজ্ঞপ্তিত এই কথা প্ৰকাশ কৰি কয়, যে বিগত বছৰৰ এই সময়ছোৱাত শূন্য দশমিক ০৮৪ মিলিয়ন টনৰ তুলনাত যোৱামাহত খুচুৰা বিক্ৰী ৬৯ শতাংশ বাঢ়ি শূন্য দশমিক ১৪ মিলিয়ন টন হয়। ইয়াৰ লগতে চলিত বছৰৰ এপ্ৰিলৰ পৰা নৱেম্বৰলৈকে ১২ দশমিক ৭ মিলিয়ন টন বিক্ৰী সম্ভৱ হৈছে। অথচ যোৱা বৰ্ষত এই সময়ছোৱাত ১১ দশমিক ১ মিলিয়ন টন বিক্ৰী হৈছিল।

ooooo

পঞ্জাৱত আজি জিলা পৰিষদ আৰু পঞ্চায়ত সমিতিসমূহৰ বাবে ৮ বজাত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনত ৯ হাজাৰতকৈও অধিক প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আপ, কংগ্ৰেছ, শিৰোমণি আকালি দল আৰু বিজেপিৰ প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ৰাজ্যিক নিৰ্বাচন আয়ুক্ত ৰাজকুমাৰ চৌধুৰীয়ে কয়, যে পুৱা ৮ বজাৰ পৰা বিয়লি ৪ বজালৈ বেলট পেপাৰৰ জৰিয়তে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আই এ এছ আৰু জ্যেষ্ঠ পি চি এছ বিষয়াসকলক সকলো জিলাতে নিৰ্বাচনী পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়াৰ লগতে ৬ গৰাকী জ্যেষ্ঠ আই পি এছ বিষয়াক নিৰ্বাচনৰ সময়ছোৱাত আইন শৃংখলাজনিত পৰিস্থিতি নিৰীক্ষণৰ বাবে আৰক্ষী পৰ্যবেক্ষকৰ দায়িত্ব অৰ্পণ কৰিছে। অহা ১৭ ডিচেম্বৰত ভোটগণনা অনুষ্ঠিত হ'ব।

ooooo

নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান- এইমছে ষ্ট্ৰোকৰ উন্নত চিকিৎসাৰ বাবে Supernova Stent নামৰ এটা নতুন আহিলাৰ জৰিয়তে প্ৰথমটো পৰীক্ষামূলক চিকিৎসা সম্পন্ন কৰিছে। চিকিৎসা প্ৰতিষ্ঠানখনে প্ৰকাশ কৰা অনুসৰি এই ৰোগত ভাৰতৰ স্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এই আহিলাবিধ প্ৰস্তুত কৰা হৈছে। পশ্চিমীয় দেশসমূহৰ তুলনাত শেহতীয়াকৈ ভাৰতত কম বয়সতেই বহুতো লোক ষ্ট্ৰোকত হৈ আছে বুলিও প্ৰতিষ্ঠানখনে লগতে প্ৰকাশ কৰিছে।

এইমছে লগতে এই বুলিও প্ৰকাশ কৰিছে যে এই আহিলা বিধৰ সহায়ত দক্ষিণ-পূব এছিয়াত এতিয়ালৈকে ৩০০ৰো অধিক ৰোগীক চিকিৎসা প্ৰদান কৰা হৈছে। আহিলা বিধৰ সফল পৰীক্ষণৰ পিছত, প্ৰতিষ্ঠানখনে কৈছে যে, Supernova Stent নামৰ এই আহিলাবিধ এতিয়া দেশতেই প্ৰস্তুত কৰা হব আৰু ইয়াৰ দ্বাৰা প্ৰতিবছৰে ষ্ট্ৰোকত আক্ৰান্ত ১৭ লাখৰো অধিক লোক উপকৃত হ'ব।

ooooo

বিশিষ্ট কংগ্ৰেছ নেতা তথা প্ৰাক্তন গৃহমন্ত্ৰী শিৱৰাজ পাটিলৰ শেষকৃত্য কালি তেওঁৰ গৃহজিলা মহাৰাষ্ট্ৰৰ লাটুৰত সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হয়।

শেষকৃত্যানুষ্ঠানত লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, কেন্দ্ৰীয় প্ৰতিৰক্ষা ৰাজ্যমন্ত্ৰী সঞ্জয় সেঠ, মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক ছাৱন্ত আৰু কৰ্ণাটকৰ মন্ত্ৰী ঈশ্বৰ খান্দ্ৰে আদি ভালেসংখ্যক বিশিষ্ট লোক উপস্থিত থাকে।

উল্লেখযোগ্য যে, আমাৰ আগৰ বাতৰিতে কোৱা হৈছিল যে, প্ৰাক্তন গৃহমন্ত্ৰী শিৱৰাজ পাটিলৰ যোৱা শুকুৰবাৰে ৯১ বছৰত দেহাৱসান হয়।

ooooo

পশ্চিমবংগৰ চল্টলেকৰ যুৱ ভাৰতী ক্ৰীড়াংগনত কালি আয়োজিত লিঅ'নেল মেছিৰ কাৰ্যসূচীত সংঘটিত বিশৃংখল পৰিস্থিতিৰ পাছত অনুষ্ঠানটোৰ আয়োজক শতদ্ৰু দত্তক আৰক্ষীয়ে দুঘণ্টা ধৰি সোধাপোছা কৰাৰ পাছত গ্ৰেপ্তাৰ কৰে। ইয়াৰ পূৰ্বে ৰাজ্যপাল ড° চি বি আনন্দ বসুৱে পশ্চিমবংগ চৰকাৰক যুৱ ভাৰতীয় ক্ৰীড়াংগনত আয়োজিত অনুষ্ঠানৰ আয়োজকসকলৰ লগতে সহযোগীসকলক শীঘ্ৰেই গ্ৰেপ্তাৰ কৰিবলৈ নিৰ্দেশ দিছিল। এই

ঘটনাত ক্ষোভ প্ৰকাশ কৰি ৰাজ্যপালগৰাকীয়ে কালিৰ দিনটো কলকাতাৰ ক্ৰীড়া প্ৰেমীসকলৰ বাবে এটা ক'লা দিন বুলি আখ্যা দিয়াৰ লগতে দৰ্শকসকলক টিকটৰ মূল্য ঘূৰাই দিবলৈ নিৰ্দেশ দিয়ে। ইপিনে ৰাজ্য চৰকাৰে এই অনুষ্ঠানত হোৱা বিশৃংখলতাৰ তদন্ত কৰিবলৈ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অসীম কুমাৰ ৰয়ৰ নেতৃত্ব এখন অনুসন্ধান সমিতি গঠন কৰি দিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে এই ঘটনাটোৰ বাবে দুখ তথা আশ্চৰ্য প্ৰকাশ কৰি জনসাধাৰণৰ ওচৰত ক্ষমা বিচাৰে। কেন্দ্ৰীয় শিক্ষা ৰাজ্যমন্ত্ৰী তথা বিজেপি নেতা ডঃ সুকান্ত মজুমদাৰে ৰাজ্য চৰকাৰক এই ঘটনাৰ বাবে সমালোচনা কৰাৰ লগতে প্ৰশাসনিক বিফলতাৰ অভিযোগ তুলি মুখ্যমন্ত্ৰীৰ পদত্যাগ দাবী কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত তেওঁ কয়, যে মেছিৰ বহু অনুৰাগীয়ে প্ৰখ্যাত ফুটবল তাৰকাগৰাকীক এবাৰ চোৱাৰ বাবে টিকট ক্ৰয় কৰিছিল যদিও প্ৰশাসনিক বিফলতাৰ বাবে মেছি ঘূৰি যাবলগীয়া হ'ল। উল্লেখযোগ্য যে শুকুৰবাৰে নিশা ফুটবল তাৰকাগৰাকী কলকাতাত উপস্থিত হোৱাৰ পাছত কালি তেওঁ ষ্টেডিয়ামলৈ আহিছিল। অনুৰাগীসকলে ভালকৈ নেদেখাৰ বাবে খেলপথাৰলৈ বটল দলিওৱা লগতে খেলপথাৰলৈ সোমাই অহাত সৃষ্টি হোৱা বিশৃংখল পৰিস্থিতিৰ বাবে আৰক্ষীয়ে লাঠি চালনা কৰিবলৈ বাধ্য হয়।

ooooo

আহমেদাবাদত অনুষ্ঠিত ৰাষ্ট্ৰীয় মল্লযুঁজ প্ৰতিযোগিতাত পেৰিছ অলিম্পিকৰ পদক বিজেতা অমন শ্বেৰাৱত আৰু বিশ্ব চেম্পিয়নশ্বিপৰ পদক বিজেতা অন্তিম পোংঘালে সোণৰ পদক অৰ্জন কৰিছে। ২০২৪ৰ পেৰিছ অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজেতা অমণ শ্বেৰাৱতে ফ্ৰী ষ্টাইল শিতানত নিজৰ ৫৭ কিলোগ্ৰাম ওজনৰ সলনি ৬১ কিলোগ্ৰাম ওজন শাখাত প্ৰতিদ্বন্দ্বিতা কৰি ফাইনেলত নিখিলক ১০-০ ফলাফলত পৰাস্ত কৰি খিতাপ অৰ্জন কৰে। আনহাতে, অন্তিম পোংঘালেও ৫৩ কিলোগ্ৰামৰ সলনি ৫৫ কিলোগ্ৰাম ওজন শাখাত প্ৰতিদ্বন্দ্বিতা কৰি সোণৰ পদক অৰ্জন কৰে। প্ৰতিযোগিতাৰ আজি অন্তিম দিনা গ্ৰেচো - ৰোমান শিতানৰ খেলসমূহ অনুষ্ঠিত হ'ব।

ooooo

**সমাপ্ত**